জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

প্ৰেছ বাৰ্তা নং ঃ ৩৩৯/২০২১

## পাথাৰকান্দিৰ বৈঠাখালত সংঘটিত পথ দুৰ্ঘটনাত গভীৰ শোক প্ৰকাশ মুখ্যমন্ত্ৰীৰ

## নিহতৰ নিকটাত্মীয়লৈ ১ লাখ টকাকৈ এককালীন আৰ্থিক সাহায্য ঘোষণা মুখ্যমন্ত্ৰীৰ

**দিছপুৰ, ১১ নৱেম্বৰঃ** কৰিমগঞ্জ জিলাৰ পাথাৰকান্দিৰ বৈঠাখালত আজি ৰাতিপুৱা সংঘটিত শোকাৱহ পথ দুৰ্ঘটনাত ১০ গৰাকীকৈ লোকে প্ৰাণ হেৰুৱাবলগীয়া হোৱা ঘটনাত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই গভীৰ শোক প্ৰকাশ কৰিছে।

এক বিবৃতিযোগে মুখ্যমন্ত্ৰী ডঃ শৰ্মাই দুৰ্ঘটনাটোত শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালসমূহলৈ গভীৰ সমবেদনা জনাইছে। মুখ্যমন্ত্ৰীয়ে নিহত প্ৰতিগৰাকী ব্যক্তিৰ নিকটাত্মীয়লৈ ১ লাখ টকাকৈ এককালীন আৰ্থিক সাহায্য ঘোষণা কৰাৰ উপৰি নিহতসকলৰ পৰিয়ালসমূহক প্ৰয়োজনীয় সকলো ধৰণৰ সহায় আগবঢ়াবলৈ জিলা প্ৰশাসন আৰু আৰক্ষী বিভাগক নিৰ্দেশ দিছে।

বীঃগঃ
১১-১১-২০২১